সত্যনিষ্ঠ সাংবাদিকতাত উৎসৰ্গিত

গুৱাহাটী, যোৰহাট আৰু লখিমপুৰৰ পৰা প্ৰকাশিত

# আমাৰ অসম

লখিমপুৰ □ বৃহস্পতিবাৰ □ ১৩ কাতি ১৯৪১ শক □ ৩১ অক্টোবৰ ২০১৯ □ দশম বছৰ □ সংখ্যা ৫৮ □ মূল্য ঃ ৭.০০ টকা ★

## নৰ্থ লখিমপুৰ মহাবিদ্যালয় আৰু সাহিত্য অকাডেমীৰ যৌথ উদ্যোগত আলোচনা-সত্ৰৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, লখিমপুৰ, ৩০ অক্টোবৰ ঃ** ভাৰতীয় সাহিত্য অকাডেমী আৰু নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ যৌথ উদ্যোগত অহা ১১ নৱেম্বৰত নৰ্থ লখিমপুৰ মহাবিদ্যালয়ত এখন আলোচনা-সত্ৰ অনুষ্ঠিত হ'ব। 'স্বৰাজোত্তৰ অসমীয়া বিজ্ঞান সাহিত্য আৰু ভ্ৰমণ সাহিত্য' শীৰ্ষক বিষয়ত অনুষ্ঠিত হ'ব লগা আলোচনা সত্ৰই অসমীয়া সাহিত্য সমালোচনাৰ নতুন দিশ মুকলি কৰিব বুলি আশা কৰা হৈছে। আলোচনা-সত্ৰখনৰ উদ্বোধনী অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰিব সাহিত্য অকাডেমীৰ কলকাতা আঞ্চলিক কাৰ্যালয়ৰ সচিব ড° দেৱেন্দ্ৰ কুমাৰ দেবেশে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগা উদ্বোধনী অনুষ্ঠানত মূল ভাষণ প্ৰদান কৰিব বিশিষ্ট সাহিত্য সমালোচক তথা ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাই। আলোচনা-সত্ৰৰ প্ৰথমটো পৰ্বত 'স্বৰাজোত্তৰ অসমীয়া বিজ্ঞান সাহিত্য'ৰ বিষয়ে পৰ্য্যালোচনা কৰা হ'ব। বিশিষ্ট সাহিত্যিক তথা বিজ্ঞান লেখক ক্ষীৰধৰ বৰুৱাই সঞ্চালনা কৰিব লগা সত্ৰত আলোচক হিচাপে অংশ ল'ব অভিজিৎ শৰ্মা বৰুৱা, ড° ছলিম আলি আহমেদ আৰু ড° মৃদুল শৰ্মাই। দ্বিতীয় পৰ্বত 'স্বৰাজোত্তৰ অসমীয়া ভ্ৰমণ সাহিত্য' বিষয়টো আলোচনা কৰিব ক্ৰমে অৰিন্দম বৰকটকী, ড° অৰবিন্দ ৰাজখোৱা আৰু ড° চিত্ৰজিৎ শইকীয়াই। এই সত্ৰৰ সঞ্চালক হিচাপে অংশ ল'ব বিশিষ্ট সাহিত্য সমালোচক কথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° জয়ন্ত কুমাৰ বৰাই। সাহিত্য অকাডেমীৰ অসমীয়া উপদেষ্টা পৰিষদৰ আহ্বায়ক তথা সাহিত্য অকাডেমী বঁটা প্ৰাপক সাহিত্যিক ডাঃ ধ্ৰুৱজ্যোতি বৰায়ো আলোচনা সত্ৰখনত অংশ ল'ব। মহাবিদ্যালয় অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়া আৰু আলোচনা-সত্ৰৰ সমন্বয়ক ড° অৰবিন্দ ৰাজখোৱাই আগ্ৰহী ব্যক্তিৰ উপস্থিতি আৰু সহযোগিতা আশা কৰিছে।